যিয়ে উত্তমৰূপে ভালকৈ অজু কৰে, তাৰ শৰীৰৰ পৰা পাপ সৰি পৰে। আনকি আঙুলিৰ নখৰ তলৰ পৰাও ওলাই আহে।

উচমান বিন আফ্ফান ৰাদ্বিয়াল্লাহু ‘আনহুৰ পৰা বর্ণিত, ৰাছুলুল্লাহ চাল্লাল্লাহু
আলাইহি অছাল্লামে কৈছে: যিয়ে উত্তমৰূপে ভালকৈ অজু কৰে, তাৰ শৰীৰৰ পৰা পাপ সৰি পৰে।
আনকি আঙুলিৰ নখৰ তলৰ পৰাও ওলাই আহে।
[ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে জনাইছে যে, যিয়ে অজুৰ ছুন্নত তথা নিয়ম-নীতিৰ প্ৰতি মনোযোগ প্ৰদান কৰি অজু কৰে, ইয়াৰ ফলত তাৰ গুনাহসমূহ ক্ষমা হৈ যায় আৰু পাপকৰ্ম মচি দিয়া হয়। আনকি হাতৰ আৰু ভৰিৰ আঙুলিৰ নখৰ তলৰ পৰাও গুনাহ সৰি পৰে।

http://www.sunnah.global/hadeeth/as/show/6263